# সুচিপত্ৰ


**মথি** 5

Chapter 1 5

Chapter 2 6

Chapter 3 7

Chapter 4 8

৪ অধ্যায় 5 9

৫ অধ্যায়। 6 12

৬ অধ্যায়। 7 13

৭ অধ্যায়। 8 14

৮ অধ্যায়। 9 15

৯ অধ্যায়। 10 17

১০ অধ্যায়। 11 18

১১ অধ্যায়। 12 19

১২ অধ্যায়। 13 22

১৩ অধ্যায়। 14 24

১৪ অধ্যায়। 15 25

১৫ অধ্যায়। 16 27

১৬ অধ্যায়। 17 28

১৭ অধ্যায়। 18 29

১৮ অধ্যায়। 19 30

১৯ অধ্যায়। 20 31

২০ অধ্যায়। 21 33

২১ অধ্যায়। 22 35

২২ অধ্যায়। 23 36

২৩ অধ্যায়। 24 38

২৪ অধ্যায়। 25 39

২৫ অধ্যায়। 26 40

২৬ অধ্যায় 27 43

২৭ অধ্যায় 28 45

**অবদানকাৰী** 46

Assamese Unlocked Literal Bible অবদানকাৰী 46

Tischendorf Greek New Testament 8th edition অবদানকাৰী 46

# মথি

## Chapter 1

### ১ অধ্যায়।

### যীচুৰ বংশাৱলী

1যীচু খ্ৰীষ্ট দায়ুদৰ বংশৰ আৰু দায়ুদ অব্ৰাহামৰ বংশৰ লোক। যীচু খ্ৰীষ্টৰ বংশৰ তালিকা এই:-

2অব্ৰাহামৰ পুত্ৰ ইচহাক; ইচহাকৰ পুত্ৰ যাকোব; যাকোবৰ পুত্ৰ যিহূদা আৰু তেওঁৰ ভায়েক-ককায়েক সকল;

3যিহূদাৰ পুত্ৰ পেৰচ আৰু চেৰহৰ, তেওঁলোকৰ মাক আছিল তামাৰ। পেৰচৰ পুত্ৰ হিষ্ৰোণ; হিষৰোণৰ পুত্ৰ ৰাম। 4ৰামৰ পুত্ৰ অম্মীনাদব; অম্মীনাদবৰ পুত্ৰ নহ্চোন; নহ্চোনৰ পুত্ৰ চলমোন। 5চল্মোনৰ পুত্ৰ বোৱজ-তেওঁৰ মাক আছিল ৰাহব। বোৱজৰ পুত্ৰ ওবেদ-তেওঁৰ মাক আছিল ৰূথ। ওবেদৰ পুত্ৰ যিচয়; 6যিচয়ৰ পুত্ৰ দায়ুদ ৰজা। দায়ুদৰ পুত্ৰ চলোমন, তেওঁৰ মাক আছিল উৰিয়াৰ ভাৰ্য্যা।

7চলোমনৰ পুত্ৰ ৰহবিয়াম; ৰহবিয়ামৰ পুত্ৰ অবিয়। অবিয়ৰ পুত্ৰ আচা; 8আচাৰ পুত্ৰ যিহোচাফট। যিহোচাফটৰ পুত্ৰ যোৰাম; যোৰামৰ পুত্ৰ উচিয়। 9উচিয়ৰ পুত্ৰ যোথম; যোথমৰ পুত্ৰ আহচ; আহচৰ পুত্ৰ হিস্কিয়া। 10হিস্কিয়াৰ পুত্ৰ মনচি; মনচিৰ পুত্ৰ আমোন; আমোনৰ পুত্ৰ যোচিয়া। 11যোচিয়াৰ পুত্ৰ যেখনীয়া আৰু তেওঁৰ ভায়েক সকল। ইস্ৰায়েল জাতিক বাবিল দেশলৈ বন্দী হিচাবে লৈ যোৱাৰ সময়ত এওঁলোক আছিল।

12বাবিললৈ নিয়াৰ পাছত যেখনীয়াৰ পুত্ৰ চল্টীয়েলৰ জন্ম হ’ল। চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল; 13জৰুব্বাবিলৰ পুত্ৰ আবীহূদ। আবীহূদৰ পুত্ৰ ইলীয়াকীম; ইলীয়াকীমৰ পুত্ৰ আচোৰ। 14আচোৰৰ পুত্ৰ চাদোক; চাদোকৰ পুত্ৰ আখীম। আখীমৰ পুত্ৰ ইলীহূদ; 15ইলীহূদৰ পুত্ৰ ইলিয়াচৰ। ইলিয়াচৰৰ পুত্ৰ মত্তন; মত্তনৰ পুত্ৰ যাকোব। 16যাকোবৰ পুত্ৰ যোচেফ; তেওঁ মৰিয়মৰ স্বামী আৰু এই মৰিয়মৰ গৰ্ভত যীচুৰ জন্ম হয়, যি জনক খ্ৰীষ্ট বোলা হয়।

17এইদৰে অব্ৰাহামৰ পৰা দায়ুদ লৈ মুঠ চৌদ্ধ পুৰুষ; দায়ুদৰ পৰা বাবিললৈ বন্দী কৰি নিয়া পৰ্যন্ত মুঠ চৌদ্ধ পুৰুষ; পুণৰ বাবিললৈ বন্দী কৰি নিয়াৰ পিচৰ পৰা খ্ৰীষ্ট লৈ মুঠ চৌদ্ধ পুৰুষ।

### যীচুৰ জন্ম

18যীচু খ্ৰীষ্টৰ জন্ম এইদৰে হ'ল। যীচুৰ মাক মৰিয়মক যোচেফলৈ বাগ্দান কৰা হৈছিল, কিন্তু তেওঁলোক একে লগ হোৱাৰ পূৰ্ব্বেই মৰিয়মে পবিত্ৰ আত্মাৰ শক্তিত গৰ্ভৱতী হোৱা অনুভৱ কৰিলে। 19তেওঁৰ স্বামী যোচেফ এজন ধাৰ্ম্মিক লোক হোৱাত মৰিয়মক মানুহৰ আগত নিন্দাৰ পাত্ৰ কৰিবলৈ ইচ্ছা নকৰি, গুপুতে ত্যাগ কৰিবলৈ মন কৰিলে।

20তেওঁ যেতিয়া এইবোৰ কথা চিন্তা কৰিলে, তেতিয়া এজন প্ৰভুৰ দূত আহি সপোনত তেওঁক দৰ্শন দি কলে, “হে দায়ুদৰ বংশৰ সন্তান যোচেফ, তোমাৰ ভাৰ্য্যা মৰিয়মক গ্ৰহণ কৰিবলৈ ভয় নকৰিবা; কিয়নো তেওঁৰ গৰ্ভৰ সন্তান পবিত্ৰ আত্মাৰ পৰা হৈছে। 21তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যীচু থবা। কাৰণ তেৱেঁই নিজৰ লোকক তেওঁলোকৰ পাপবোৰৰ পৰা মুক্ত কৰিব।”

22এই সকলো ঘটিছিল যাতে ভাৱবাদীৰ দ্বাৰাই প্ৰভুৱে এই যি বচন কোৱাইছিল সেয়া পূৰ্ণ হয়:

23"চোৱা, সেই কুমাৰী গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিব,

আৰু তেওঁলোকে তেওঁৰ নাম ইম্মানূৱেল থব;

এই নামৰ অৰ্থ আমাৰ লগত ঈশ্বৰ।

24পাছত যোচেফে টোপনিৰ পৰা সাৰ পাই উঠি, প্ৰভুৰ দূতে তেওঁক আজ্ঞা দিয়াৰ দৰে নিজৰ ভাৰ্য্যাৰূপে মৰিয়মক গ্ৰহণ কৰিলে। 25কিন্তু পুত্ৰ প্ৰসৱ নকৰা পৰ্যন্ত যোচেফে তেওঁৰ সৈতে সহবাস নকৰিলে। পাছত যোচেফে সেই সন্তানৰ নাম যীচু থলে।

## নিজৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে দ্বিতীয় বাৰ জনোৱা

22পাছত যীচু আৰু তেওঁৰ শিষ্য সকল গালীল প্ৰদেশত থাকোতে যীচুৱে তেওঁৰ শিষ্য সকলক ক'লে, "মানুহৰ পুত্ৰক লোক সকলৰ হাতত
শোধাই দিয়া হব। 23লোক সকলে তেওঁক বধ কৰিব আৰু তিন দিনৰ দিনা তেওঁ পুনৰাই জীয়াই উঠিব।" এই কথা শুনি শিষ্য সকল অতি দুঃখিত
হল।

## কৰ দিয়াৰ বিষয়ে যীচুৰ শিক্ষা

24যীচু আৰু তেওঁৰ শিষ্য সকল কফৰনাহূমলৈ গ'ল। যি সকল কৰ সংগ্ৰহকাৰীয়ে আধলি তোলে, তেওঁলোকে পিতৰৰ ওচৰলৈ আহি কলে,
"তোমালোকৰ গুৰুৱে আধলিটো নিদিয়ে নে?" 25তেওঁ ক'লে "দিয়ে।" ইয়াৰ পাছত পিতৰে ঘৰলৈ আহি কিবা কোৱাৰ আগেয়ে যীচুৱে তেওঁক
কলে, "চিমোন, তোমাৰ মনত কি ভাৱ হয়? পৃথিবীৰ ৰজা সকলে কোন লোকৰ পৰা কৰ বা মাচুল আদায় কৰে? নিজৰ দেশৰ লোক সকলৰ
পৰা নে আন বিদেশী সকলৰ পৰা?"

26পিতৰে ক'লে "বিদেশী সকলৰ পৰা," যীচুৱে তেওঁক ক'লে, "তেনেহ'লে নিজৰ দেশৰ লোক সকল কৰ দিয়াৰ পৰা মুক্ত। 27তথাপি আমি
যেন কৰ সংগ্ৰহকাৰী সকলৰ বিঘিনি নজন্মাও, এই কাৰণে তুমি সাগৰলৈ গৈ বৰশী বোৱা আৰু প্ৰথমে যি মাছ উঠিব সেইটোকে ধৰি মুখ
মেলিলে এটকা ৰূপ পাবা; সেইটো আনি মোৰ আৰু তোমাৰ কাৰণে তেওঁলোকক কৰ দিয়াগৈ।"

---

17:13 [1]

# ১৭ অধ্যায়। 18

## স্বৰ্গৰাজ্যত শ্ৰেষ্ঠ কোন

1সেই সময়ত শিষ্য সকলে যীচুৰ ওচৰলৈ আহি সুধিলে, "প্ৰভু, স্বৰ্গৰাজ্যত শ্ৰেষ্ঠ কোন?" 2তেতিয়া যীচুৱে এটি শিশুক ওচৰলৈ মাতি আনি
তেওঁলোকৰ মাজত থিয় কৰাই কলে, 3"মই তোমালোকক সঁচাকৈ কওঁ, যদি তোমালোকে মন পৰিবৰ্তন কৰি শিশু সকলৰ দৰে হব নোৱাৰা,
তেন্তে কোনোমতেই স্বৰ্গৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰিবা।

4এতেকে যি কোনোৱে এই শিশুটিৰ দৰে নিজকে নম্ৰ কৰে, তেৱেঁই স্বৰ্গৰাজ্যত সৰ্ব্বশ্ৰেষ্ঠ। 5আকৌ যি কোনোৱে এনে এটি শিশুক মোৰ নামেৰে
গ্ৰহণ কৰে, তেওঁ মোকেই গ্ৰহণ কৰে। 6মোক বিশ্বাস কৰা এই নম্ৰ সকলৰ মাজৰ কোনোবা এজনক যদি কোনোৱে পাপৰ পথত লৈ যায়, তেন্তে
ডিঙিত এটা ডাঙৰ জাঁত বান্ধি তেওঁক বৰং সমুদ্ৰৰ গভীৰ পানীত ডুবাই দিয়াই তেওঁৰ পক্ষে ভাল হব।

7হায়! বিঘিনিৰ সময়ৰ কাৰণে এই জগত; কিয়নো বিঘিনিৰ সময় অৱশ্যেই আহিব। কিন্তু যি মানুহৰ দ্বাৰাই বিঘিনি হয়, তেওঁৰ সন্তাপ হ'ব।
8তোমালোকক পাপলৈ নিয়াৰ কাৰণ যদি তোমালোকৰ হাত বা ভৰি হয়, তেন্তে তাক কাটি দূৰলৈ দলিয়াই পেলোৱা; দুই হাত বা দুই ভৰি লৈ
চিৰকাল জুইত পেলোৱা হোৱাতকৈ, কোঙা বা খোৰা হৈ জীৱনত প্ৰৱেশ কৰাই তোমালোকৰ পক্ষে ভাল।

9তোমালোকৰ চকুৱে যদি তোমালোকক পাপৰ পথলৈ নিয়ে, তেন্তে তাকো কাঢ়ি তোমালোকৰ পৰা দূৰলৈ দলিয়াই পেলোৱা; দুই চকু লৈ অনন্ত
জুইত পেলোৱা হোৱাতকৈ, বৰং কণা হৈ জীৱনত সোমোৱাই তোমালোকৰ পক্ষে ভাল।

10সেয়ে সাৱধানে চলিবা; তোমালোকে এই সৰু সকলৰ মাজৰ এজনকো হেয়জ্ঞান নকৰিবা; কিয়নো মই তোমালোকক কওঁ, স্বৰ্গত তেওঁলোকৰ
দূত সকলে মোৰ স্বৰ্গীয় পিতৃৰ মুখ সদায় যেন দেখা পায়। 11কাৰণ যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ আহিল।

12তোমালোকে কি ভাবা? যদি কোনো এজন মানুহৰ এশটা ভেড়া থাকে আৰু তাৰ মাজৰ পৰা যদি এটা ভুল পথে গৈ হেৰাই যায়, তেতিয়া
তেওঁ জানো নিৰানব্বৈটা ভেড়া পাহাৰৰ দাঁতিত এৰি থৈ হেৰোৱা ভেড়াটোক বিচাৰি নাযাব? 13আৰু যদি হেৰোৱাটোক কেনেবাকৈ পায়, তেন্তে
মই তোমালোকক সঁচাকৈ কওঁ যে, ভুল পথে নোযোৱা সেই নিৰানব্বৈটা ভেড়াতকৈ যিটো হেৰাই গৈছিল সেই ভেৰাটোক ঘূৰাই পোৱাত তেওঁ
অধিক আনন্দ কৰিব। 14এইদৰে এই সৰু সকলৰ মাজৰ এটিও নষ্ট হোৱাটো স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে ইচ্ছা নকৰে।

## ক্ষমাৰ বিষয়ে শিক্ষা

15কিন্তু তোমাৰ ভায়েৰাই যদি তোমাৰ বিৰুদ্ধে অন্যায় কৰে, তেন্তে তেওঁ অকলে থাকোতেই ওচৰলৈ গৈ তেওঁৰ দোষ দেখুৱাই দিয়া। তেওঁ যদি
তোমাৰ কথা শুনে, তেন্তে তুমি তোমাৰ ভায়েৰাক ঘূৰাই পালা। 16কিন্তু যদি নুশুনে, তেন্তে দুই এজন ভাইক তোমাৰ লগত লৈ যোৱা, যাতে দুই বা
তিনি জন সাক্ষীৰ কথাত প্ৰত্যেকটো বিষয় সত্য বুলি প্ৰমাণিত হয়।

## প্ৰধান আজ্ঞাৰ বিষয়ে প্ৰশ্ন

34যেতিয়া ফৰীচী সকলে শুনিলে যে, যীচুৱে চদ্দূকী সকলক নিৰুত্তৰ কৰিছে, তেতিয়া তেওঁলোক এক গোট হ'ল; 35তেওঁলোকৰ মাজৰ এজন বিধান পণ্ডিতে তেওঁক পৰীক্ষা কৰি সুধিলে- 36"হে গুৰু, বিধানৰ কোনটো আজ্ঞা প্ৰধান?"

37যীচুৱে তেওঁক ক'লে, ''তুমি সকলো হৃদয়, সকলো প্ৰাণ, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা।' 38এইটোৱেই প্ৰধান আৰু প্ৰথম আজ্ঞা।

39এইদৰে দ্বিতীয়টো আজ্ঞা হ'ল-'তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা।' 40এই দুটা আজ্ঞাকে গোটেই বিধান আৰু ভাৱবাদী সকলে নিৰ্ভৰ কৰে। "

## দায়ুদৰ সন্তানৰ বিষয়ে প্ৰশ্ন

41ফৰীচী সকল গোট খাই থাকোঁতে, যীচুৱে তেওঁলোকক এটা প্ৰশ্ন সুধিলে, 42তেওঁ সুধিলে, " খ্ৰীষ্টৰ বিষয়ে তোমালোকৰ মনে কি ধৰে? তেওঁ কাৰ সন্তান? "তেওঁলোকে তেওঁক ক'লে, " দায়ুদৰ সন্তান। "

43যীচুৱে তেওঁলোকক ক'লে, " তেনেহলে দায়ুদে কেনেকৈ আত্মাৰ দ্বাৰাই প্ৰভু বুলিলে আৰু ক'লে,

44প্ৰভুৱে মোৰ প্ৰভুক ক'লে, মই

তোমাৰ শত্ৰুবোৰক তোমাৰ চৰণৰ অধিন নকৰালৈকে,

মোৰ সোঁহাতে বহি থাকা।

45এতেকে দায়ুদে যদি খ্ৰীষ্টক প্ৰভু বোলে, 'তেন্তে তেওঁ কেনেকৈ তেওঁৰ সন্তান হ'ব পাৰে?" 46কোনেও তেওঁক একো উত্তৰ দিব নোৱাৰিলে; আৰু সেই দিনাৰে পৰা তেওঁক কোনো কথা সুধিবলৈকো কাৰো সাহস নহ'ল।

---

22:22 [1]

# ২২ অধ্যায়। 23

## যীচুৱে ফৰীচী আৰু অধ্যাপক সকলৰ দোষ দেখুওৱা

1তেতিয়া যীচুৱে লোক সকলক আৰু তেওঁৰ শিষ্য সকলক ক'লে, 2তেওঁ ক'লে "অধ্যাপক আৰু ফৰীচী সকল মোচিৰ' আসনত বহি আছে।
3এই কাৰণে তেওঁলোকে তোমালোকক যি আজ্ঞা দিয়ে, সেই সকলোকে পালন আৰু মান্য কৰিবা; কিন্তু তেওঁলোকৰ কৰ্মৰ দৰে নকৰিবা; কিয়নো তেওঁলোকে কয়, কিন্তু নকৰে।

4হয়, তেওঁলোকে গধূৰ আৰু অসহনীয় ভাৰ বান্ধি মানুহবোৰৰ কান্ধত দিয়ে, কিন্তু নিজে এটা আঙুলিৰেও সেই ভাৰ লৰাবলৈ ইচ্ছা নকৰে।
5তেওঁলোকে মানুহক দেখুৱাবলৈ নিজৰ সকলো কৰ্ম কৰে; কিয়নো তেওঁলোকে নিজৰ নিজৰ তাবিজ ডাঙৰকৈ লয়, আৰু কাপোৰৰ দহি দীঘলকৈ ৰাখে।

6ভোজত প্ৰধান ঠাই, আৰু নাম-ঘৰত প্ৰধান আসন, 7হাট-বজাৰত নমস্কাৰ আৰু লোক সকলে 'ৰব্বি' সম্বোধন কৰা, তেওঁলোকে এইবোৰ ভালপায়।

8কিন্তু তোমালোকে হ'লে, " ৰব্বি' বুলি মতা নহ'বা; কিয়নো এজন তোমালোকৰ গুৰু আছে, আৰু তোমালোক সকলো ভাই ভাই। 9পৃথিবীত কাকো পিতৃ বুলি নামাতিবা; কিয়নো এজন, অৰ্থাৎ স্বৰ্গত থকা জনাই তোমালোকৰ পিতৃ। 10আৰু তোমালোক আচাৰ্য্য বুলি মতা নহ'বা; কিয়নো এজন, অৰ্থাৎ খ্ৰীষ্টই তোমালোকৰ আচাৰ্য্য।

11কিন্তু তোমালোকৰ মাজত যি জন শ্ৰেষ্ঠ, তেওঁ তোমালোকৰ পৰিচাৰক হ'ব। 12যি কোনোৱে নিজকে নিজে বৰ বুলি মানিব, তেওঁক সৰু কৰা হ'ব; আৰু যি কোনোৱে নিজকে নিজে সৰু বুলি মানিব, তেওঁক বৰ কৰা হ'ব।

13কিন্তু হায় হায় কপটীয়া অধ্যাপক আৰু ফৰীচী সকল! তোমালোক সন্তাপৰ পাত্ৰ; কিয়নো মানুহবোৰৰ আগত তোমালোকে স্বৰ্গৰাজ্যৰ দুৱাৰ বন্ধ কৰিছা; কাৰণ তোমালোকে নিজেও নোসোমোৱা, আৰু সোমাবলৈ ধৰা সকলকো সোমাবলৈ নিদিয়া। 14হায় হায় কপটীয়া, অধ্যাপক আৰু

